জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩১৯/২০২২**

# যশস্বী অভিনেতা নিপন গোস্বামীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৭ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমীয়া চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা নিপন গোস্বামীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই শৈশৱত ‘ককাদেউতা নাতি আৰু হাতী’ নামৰ চলচ্চিত্ৰখনত অভিনয় কৰাৰ সময়তে অভিনেতাগৰাকীৰ লাভ কৰা সান্নিধ্যৰ কথা স্মৰণ কৰি আজি এক শোকবাৰ্তাত কয় যে নিপন গোস্বামীয়ে বহুকেইখন অসমীয়া চিনেমাত অতি হৃদয়স্পৰ্শী আৰু মননশীল চৰিত্ৰত অভিনয় কৰিছিল। ৰাজ্যৰ সাংস্কৃতিক জগতখনলৈ তেখেতে আগবঢ়াই যোৱা এই অৱদানৰাজি স্মৰণীয় হৈ থাকিব। বিশিষ্ট অভিনেতা নিপন গোস্বামীৰ বিয়োগ এক অপূৰণীয় ক্ষতি বুলিও ড° শৰ্মাই অভিহিত কৰে।

মুখ্যমন্ত্ৰীয়ে বৰেণ্য অভিনেতাগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**২৭/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in